# 2017

## ELECTIVE ASSAMESE

*Full Marks* : 80

*Time* : 3 hours

*The figures in the margin indicate full marks for the questions*

১। এটা শব্দ বা বাক্যত উত্তৰ লিখা : ১×১০=১০

(ক) 'বহল ব্যাকৰণ'ৰ ৰচক কোন?

(খ) *Grammatical Notes on Assamese Language* কাৰ ৰচনা?

(গ) "All Grammars Leak." এইটো কাৰ উক্তি?

(ঘ) অসমীয়া ভাষাত অৰ্দ্ধস্বৰ কেইটা?

(ঙ) বিশিষ্ট ধ্বনিৰ অন্য নাম কি?

(চ) অসমীয়া ভাষাত লিংগ ব্যাকৰণগত বিষয় হয়নে?

(ছ) 'লিংগ' শব্দৰ অৰ্থ কি?

(জ) 'ৰূপতত্ত্ব'ৰ ইংৰাজী প্ৰতিশব্দ কি?

(ঝ) অনুনাসিকতা অসমীয়া ভাষাত বিশিষ্ট ধ্বনি হয়নে?

(ঞ) ভাষাৰ ক্ষুদ্ৰতম অৰ্থবহ গোটটোৰ নাম কি?

২। চমুকৈ উত্তৰ লিখা : ২×৫=১০

(ক) ঐতিহাসিক বিৱৰ্তনমূলক ব্যাকৰণ বুলিলে কি বুজা?

(খ) বিশিষ্ট ধ্বনি বুলিলে কি বুজা?

(গ) ব্যাকৰণসিদ্ধ বিষয় মানে কি, বুজাই লিখা।

(ঘ) অসমীয়া ভাষাত বচন কেইবিধ আৰু কি কি?

(ঙ) তত্ভৱ শব্দ কাক বোলে? উদাহৰণ দিয়া।

৩। যি কোনো চাৰিটা প্ৰশ্নৰ উত্তৰ লিখা : ৫×৪=২০

(ক) ওঁঠৰ আকৃতি আৰু জিভাৰ অংশ অনুসৰি অসমীয়া বিশিষ্ট স্বৰধ্বনিৰ এখন তালিকা যুগুত কৰা।

(খ) অসমীয়া দন্তমূলীয় ধ্বনিৰ বিষয়ে লিখা।

(গ) অসমীয়া ভাষাত কাৰক কেইটা আৰু কি কি? প্ৰতিবিধৰে সূত্ৰ লিখা।

(ঘ) অসমীয়া নিৰ্দিষ্টতাবাচক প্ৰত্যয় সম্পৰ্কে লিখা।

(ঙ) অসমীয়া ভাষাৰ জতুৱা ঠাঁচ আৰু খণ্ডবাক্যৰ বিষয়ে চমুকৈ লিখা।

(চ) অসমীয়া ভাষাত বিদেশী শব্দৰ অনুপ্ৰৱেশৰ বিষয়ে লিখা।





৪। (ক) অসমীয়া ব্যাকৰণৰ ইতিহাস সম্পৰ্কে লিখা। ১০

*অথবা*

(খ) ব্যাকৰণ বুলিলে কি বুজা? ব্যাকৰণৰ প্ৰকাৰভেদ সম্পৰ্কে লিখা। ২+৮=১০

৫। (ক) অসমীয়া বিশিষ্ট ব্যঞ্জনধ্বনি কেইটা আৰু কি কি? উচ্চাৰণৰ স্থান আৰু ধৰণ অনুসৰি অসমীয়া বিশিষ্ট ব্যঞ্জনধ্বনিৰ এখন তালিকা যুগুত কৰা আৰু বিশিষ্ট ব্যঞ্জন ধ্বনিকেইটাক প্ৰতিনিধিত্ব কৰা আখৰবোৰ লিখা। ১০

*অথবা*

(খ) অসমীয়া বিশিষ্ট ব্যঞ্জন ধ্বনিকেইটাৰ মধ্যস্থানত বিৰোধ দেখুৱাই এটি আলোচনা যুগুত কৰা।

৬। (ক) অসমীয়া ভাষাৰ লিংগ নিৰ্ণয়ৰ পদ্ধতি সম্পৰ্কে এটি আলোচনা যুগুত কৰা। ১০

*অথবা*

(খ) ধাতু কাক বোলে? উৎপত্তিগতভাৱে অসমীয়া ধাতুবোৰক কি কি ভাগত ভগাব পাৰি, উদাহৰণসহ দেখুওৱা।

৭। (ক) 'অসমীয়া ভাষাৰ বাক্যতত্ত্ব' এই শিতানত এটি আলোচনা যুগুত কৰা। ১০

*অথবা*

(খ) 'অসমীয়া ভাষাৰ শব্দভাণ্ডাৰ' এই বিষয়ত এটি আলোচনা আগবঢ়োৱা।

★★★